www.prepp.in

Prepp
Your Personal Exams Guide

**SET-4**

**Series GBM**

**Code No. 14**

Roll No. | | | | | | | |

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **7** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **14** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘন্টা* — *সৰ্বমুঠ নম্বৰ : 100*

*Time allowed : 3 hours* — *Maximum Marks : 100*

## SECTION A

**1.** (ক) এটা বাক্যত উত্তৰ লিখা ।

(i) অকৰ্মক ক্ৰিয়া কাক বোলে ? *1*

(ii) “মই তাক কিতাপ পঢ়াইছোঁ ।” কি ক্ৰিয়া ? *1*

(iii) নাম ধাতুৰ এটা উদাহৰণ দিয়া । *1*

(iv) যোজক অব্যয়ৰ সংজ্ঞা লিখা । *1*

(v) ভাববোধক অব্যয় কাক বোলে ? *1*

(vi) অনিয়মিত ক্রিয়া দুটাৰ নাম লিখা । *1*

(vii) কৰ্ম অনুসৰি ক্রিয়া কেইবিধ ? আৰু কি কি ? *1*

(viii) আনুষঙ্গিক অব্যয় কাক বোলে ? *1*

(খ) তলৰ অনুৰূপ শব্দবোৰ কি কি প্ৰকাৰৰ লিখা । *1×4=4*

(i) ভাত-চাত

(ii) ডা-ডাঙৰীয়া

(iii) কিতাপ-চিতাপ

(iv) ৰূপ-বান

(গ) স্বাভাৱিকতে মূৰ্দ্ধন্য 'ষ' হোৱা শব্দ তিনিটাৰে একোটাকৈ বাক্য ৰচনা কৰা । *1×3=3*

(ঘ) (i) দ্বন্দসমাসৰ ভাগকেইটা উল্লেখ কৰি প্ৰতিটোৰে একোটাকৈ উদাহৰণ দিয়া । *3*

(ii) ব্যাসবাক্য ভাঙি দেখুৱাই সমাসৰ নাম লিখা । *1×5=5*

পদ্মনাভ, সপ্তদ্বীপ, হৃষ্ট-পুষ্ট, বিতশ্ৰদ্ধ, ভাই-ককাই

(ঙ) তলত আঁচ টনা শব্দ কেইটাৰ বিভক্তি নিৰ্ণয় কৰা । *1+1=2*

(i) বিনা <u>ৰক্তপাতে</u> দেশে স্বাধীনতা লাভ কৰিলে ।

(ii) <u>দুখীয়াৰ প্ৰতি</u> দয়ালু হ'বা ।

(চ) সংখ্যা বাচক শব্দ যোগ কৰি বহুবচন কৰা চাৰিটা শব্দ লিখা । *2*

(ছ) এটা শব্দত প্ৰকাশ কৰা : *1×4=4*

(i) একে সময়তে হোৱা ।

(ii) যি বস্তু দিব পৰা নাযায় ।

(iii) গোটেই জীৱন জুৰি ।

(iv) যি মৰো মৰো অৱস্থা হৈছে ।

(জ) তলত উল্লেখ কৰা জতুৱা খণ্ডবাক্য কেইটা ব্যৱহাৰ কৰি প্ৰত্যেকৰে একোটাকৈ বাক্য ৰচনা কৰা । *1×4=4*

ঘৰ-জোঁৱাই, চকুপকা, মুখ মেলি থাক, পেট মচা ।

## SECTION B

**2.** তলত দিয়া ***এটা*** বিষয়ৰে এখন ৰচনা লিখা । *10*

(ক) অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য ।

(খ) তুমি অংশ গ্ৰহণ কৰা এটি আঞ্চলিক উৎসৱ ।

**3.** ভাৱ সম্প্ৰসাৰণ কৰা (***এছোৱাৰ***) : *5*

(ক) লাগি থাকিলে মাগি নাখায় ।

(খ) স্বদেশ আৰু স্বজাতিৰ মঙ্গল মন্দিৰৰ সিংহ-দুৱাৰ হৈছে মাতৃভাষা ।

## SECTION C

**4.** তলৰ যিকোনো ***এছোৱাৰ*** তাৎপৰ্য ব্যাখ্যা কৰা । *4*

(ক) আধুনিক সমস্যাৰ সমাধান কৰিব লাগিলে প্ৰশস্ত মন আৰু উদাৰ দৃষ্টিভঙ্গীৰ আৱশ্যক ।

(খ) কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ ।

**5.** প্ৰথমেশ বৰুৱা আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৰিচয় লিখি দুয়ো গৰাকীৰ চিত্ৰকৰ্মৰ তুলনামূলক আলোচনা এটি আগবঢ়োৱা । *6*

**6.** চমুকৈ উত্তৰ লিখা । *2×2=4*

(ক) পৰিশ্ৰম আৰু অধ্যাৱসায়ৰ সহায়ত সৰু অৱস্থাৰপৰা ডাঙৰ হোৱা দুজন মানুহৰ নাম লিখি পৰিচয় দিয়া ।

(খ) মিলাৰামৰ পিতৃৰ পৰিচয় দিয়া ।

**7.** চমুটোকা লিখা (***এটাৰ***) । *2*

(ক) ভূপেন হাজৰিকা

(খ) মেঘমল্লাৰ

**8.** অতি চমুকৈ উত্তৰ লিখা । *1×4=4*

(ক) সামান্য চিপাহী এটাৰ পৰা কোনে সম্ৰাট হৈছিল ?

(খ) আনন্দৰাম বৰুৱাই কিয় চিৰকুমাৰ ব্ৰত অৱলম্বন কৰিছিল ?

(গ) কি ৰাগ গালে চাকি জ্বলি উঠে বুলি মানুহে বিশ্বাস কৰে ?

(ঘ) প্ৰথম অসমীয়া হাস্য-ব্যংগ ৰসাত্মক কথাছবিখনৰ নাম কি ?

**9.** প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা (***এছোৱা***) । *4*

(ক) এই জীৱনতে নতু
মৃত্যুলোক কৰি আলোকিত
অৰূপ অনন্ত ৰূপে
দিবা দেখা হে চিৰ বাঞ্চিত ।

(খ) আঘোনৰ বাটটোহে কুৰঁলীৰে ঢকা,
মন-হাঁহ খেদি খেদি বণ শেষ হ'ল
আঘোনৰ কুঁৱলীয়ে বাট ভেটি ল'লে ।

**10.** যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা । *6*

(ক) 'জনতাৰ আহ্বান' নামৰ কবিতাটিত সাধাৰণ মানুহৰ প্ৰতি কবিৰ কেনে ভাৱ প্ৰকাশ পাইছে ?

(খ) শংকৰ-মাধৱৰ ৰচিত গীতবোৰক কিয় বৰগীত বোলা হয় ? ইয়াৰ বিশেষত্ব কি ?

Prepp
Your Personal Exams Guide

**11.** (ক) তলৰ প্ৰশ্ন দুটাৰ উত্তৰ লিখা : *2×2=4*

(i) ‘আঘোনৰ কুঁৱলী’ কবিতাত কবিৰ অন্তৰৰ বিষাদ কিদৰে প্ৰকাশ পাইছে চমুকৈ লিখা ।

(ii) কেশৱ মহন্তই শিশুসকলৰ বাবে ৰচনা কৰা দুখন পুথিৰ নাম লিখা ।

(খ) কবি নলিনীবালা দেৱীৰ কবিতাত আধ্যাত্মিক ভাৱধাৰা প্ৰকাশ পোৱাৰ কাৰণ চমুকৈ লিখা । *2*

**12.** তলৰ প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা । *1×4=4*

(ক) আঘোনৰ আকাশেদি বন-হাঁহ জাকি মাৰি ক’লৈ উৰি গ’ল ?

(খ) জ্যোতি প্ৰসাদে নাট্যকাৰ হিচাবে কোন-খন নাটৰ জৰিয়তে আত্মপ্ৰকাশ কৰিছিল ?

(গ) ভাৰত চৰকাৰে কবি নলিনীবালা দেৱীক কি উপাধি প্ৰদান কৰিছিল ?

(ঘ) তোমাৰ পাঠত-অন্তৰ্ভূক্ত বৰগীতটো কোন শ্ৰেণীৰ বৰগীত ?

**13.** অতি চমুকৈ উত্তৰ দিয়া । *1×4=4*

(ক) শিক্ষাৰ আন এটা উদ্দেশ্য কি ?

(খ) ভাৰতীয় মূল্যবোধৰ অভিনৱ সংযোজন কি ?

(গ) আধ্যাত্মিক মূল্যবোধে কিহৰ ওপৰত গুৰুত্ব দিছে ?

(ঘ) মানুহ কিহৰ কাৰণে বস্তু কেন্দ্ৰিক হৈ পৰিছে ?

Prepp
Your Personal Exams Guide

**14.** তলৰ যিকোনো ***তিনিটা*** প্ৰশ্নৰ উত্তৰ লিখা । *2×3=6*

(ক) আদৰ্শবাদী দাৰ্শনিক সকলৰ মতবাদ কিহৰ ওপৰত প্ৰতিষ্ঠিত বুজাই লিখা ।

(খ) মানৱ জীৱনৰ-মূল মূল্যবোধ কেইটাৰ নাম লিখি তাৰ কোনটোক নন্দনতাত্বিক মূল্যবোধ বোলা হয় উল্লেখ কৰা ।

(গ) 'প্ৰকৃততে মূল্যবোধক সামাজিক দৃষ্টিকোণৰ পৰাহে বিচাৰ কৰা হয়' — পাঠৰ সহায়ত চমুকৈ লিখা ।

(ঘ) নান্দনিক সম্পৰ্কে দাৰ্শনিক প্লেটোৰ মতামত কি লিখা ।

Prepp
Your Personal Exam Guide